# ASSAM LEGISLATIVE ASSEMBLY
## ( WINTER SESSION )
## BULLETIN PART – I
## BRIEF RECORD OF PROCEEDINGS
## FRIDAY THE 28th NOVEMBER, 2025

**9:30 A.M.**

### 4.1 QUESTIONS

**I) Starred Questions**

Starred Question Nos. 61 to 68 were orally answered except Question No. 63 due to the suspension of the Member concerned.

Replies to Starred Question Nos. 69 to 80 were laid on the table.

**II) Unstarred Questions**

Replies to the Unstarred Question Nos. 151 to 200 were laid on the Table except Question Nos. 173 & 191 due to the suspension of the Members concerned.

**10:33 A.M.**

### 4.2 MEMBERS' HOUR

The following Hon'ble Members raised matters pertaining to their constituencies-

1) Shri Taranga Gogoi
2) Shri Abdur Rashid Mandal.

Hon'ble Ministers of the concerned Departments responded to the matters raised.

**11:41 A.M.**

### 4.3 PRIVATE MEMBER'S BILLS – INTRODUCED

Hon'ble Leader of the Opposition Shri Debabrata Saikia introduced the following Bills-

a) **"The Assured Security and Humanitarian Assurance for Gig Workers and Atypical Workers (ASHA) Bill, 2025".**
b) **"The Maintenance of Cleanliness in Assam Bill, 2025.**

**11:45 A.M**

**4.4 PRIVATE MEMBERS' BILL – WITHDRAWN**

Hon'ble Member Shri Ashraful Hussain moved that **"The Assam University and Boards (Regular Conduct of Examinations and Timely Declaration of Results) Bill, 2025"** be taken into consideration and spoke on it.

Hon'ble Minister Parliamentary affairs replied on it.

Thereupon Hon'ble Member withdrew the Bill.

**11:54 A.M**

**4.5 RESOLUTIONS**

**A) PRIVATE MEMBERS' RESOLUTIONS – WITHDRAWN**

**(I) Hon'ble Member Shri Kamalakhya Dey Purkayastha moved the following Resolution–**

i) Katigarg, located in Cachar district, is one of the most remote and geographically disadvantaged regions, characterised by difficult terrain and inadequate transport connectivity;

ii) Residents of Katigarg and adjoining areas face serious hardship in travelling to Silchar, the district headquarters, as it is extremely difficult to go there and return on the same day for essential administrative, official or public service-related work and

iii) The high cost of travel, combined with the economic vulnerability of a large population living below the poverty line, imposes a disproportionate burden on the people of this region, affecting their access to government services and developmental opportunities; this House urges the Government-

**a.** To consider declaring Katigarg as a Co-District at the earliest; and

**b.** To take all necessary administrative steps to ensure improved access to public services, enhanced connectivity, and better public convenience for the people of the wider region."

The following Hon'ble Members took part in the discussion :

a) Dr. Rafiqul Islam

b) Shri Jakir Hussain Sikdar

Hon'ble Minister Shri Ranjeet Kumar Das replied.

Thereupon Hon'ble Member withdrew the Resolution.

**(II) Hon'ble Leader of the Opposition Shri Debabrata Saikia moved the following Resolution–**

"This House urges upon the Government -

i) to accord priority to the development of allied agricultural sectors and to take effective steps to address the long-standing challenges faced by the tea industry in Assam, with a view to strengthening the State's overall economic foundation.

ii) to take all necessary measures to increase farmers' income, enhance agricultural and plantation productivity and address the persistent problems of tea garden workers including the provision of land pattas to landless tea workers; and to consider introducing a special financial package for the overall development and welfare of all tea workers of the State."

Hon'ble Minister Shri Bimal Bora replied.

Thereupon Hon'ble Member withdrew the Resolution.

*

**(III) Hon'ble Member Shri Jakir Hussain Sikdar moved the following Resolution :**

"This House urges upon the Government -

**i.** to take effective measures to address the rising prevalence of cancer in the Northeastern region, particularly in Assam, where the number of cancer patients is increasing at a concerning rate.

**ii.** to strengthen and expand advanced cancer-care facilities across the State, with special emphasis on early detection, timely diagnosis and accessible treatment including medicine supply; and

**iii.** to make appropriate arrangements for providing completely free treatment to cancer patients, so that families affected by this life-threatening disease are protected from severe financial distress and long-term economic hardship."

---

* At 1.28 P.M. the House was adjourned for 20 minutes.

The following Hon'ble Members participated in the discussion –

a) Shri Abdul Batin Khandakar
b) Shri Debabrata Saikia

Hon'ble Minister Shri Chandra Mohan Patowary replied.

Thereupon Hon'ble Member withdrew the Resolution.

**B) PRIVATE MEMBERS' RESOLUTION – MOVED AND PENDING**

**I) Hon'ble Member Alhaj Abdur Rashid Mandal moved the following Resolution –**

"Having regard to the facts that-

**i.** since 1947, Assam has repeatedly faced devastating floods, riverbank erosion, landslides, ethnic clashes and other natural and social disruptions, resulting in the displacement of lakhs of families across the State;

**ii.** about 1,000 villages have been completely or partially affected during these repeated events, causing countless families to become landless and economically vulnerable;

**iii.** while some of these landless families have been settled, allotted land, or rehabilitated by the Government from time to time, a large number of families continue to remain self-settled on Government khas land, Pasture Grazing Reserve (PGR), Village Grazing Reserve (VGR), Char areas and other vulnerable locations, many of whom have also faced evictions in recent years; and

**iv.** the absence of a permanent, structured, and compassionate rehabilitation framework continues to create hardship for erosion-affected and displaced legitimate citizens residing in Assam; this House urges upon the Government.

a. to formulate and implement a comprehensive policy for the permanent resettlement of landless and erosion-affected legitimate Indian citizens residing in Assam;

b. to provide such families with secure land allotment or settlement, strictly in accordance with Government rules and norms; and

c. to ensure that rehabilitation measures promote long-term stability, socio-economic development and human dignity for all affected families."

His speech was not concluded.

**II) Hon'ble Member Shri Abdul Batin Khandakar moved the following Resolution –**

"This House urges upon the Government to take necessary steps for the construction of RCC bridges over the River Manas and other rivers within the Abhayapuri North Legislative Assembly Constituency (renamed as Srijangram LAC after delimitation), in order to improve connectivity, ensure public safety and facilitate socio-economic development in the region."

His speech was not concluded.

**2.05 P.M.**

## 4.6 Private Members' Special Motion/Motion Pending

### A) SPECIAL MOTION

**Hon'ble Member Alhaj Abdur Rashid Mandal moved the following Motion-**

"This House expresses its deep concern over the increasing incidents of sexual violence against women in Assam, including a significant number of cases reported during the early months of 2025 as informed to the House, which highlight serious challenges relating to policing, investigation standards, victim support mechanisms and overall safety infrastructure and urges upon the Government-

i) to apprise the House of the current status of investigations in recent major cases of sexual violence reported across the State and to outline the measures undertaken to strengthen police responsiveness, forensic capacity, victim protection systems and other institutional safeguards.

ii) to formulate and implement a comprehensive strategic plan to address emerging threats to women's safety, including AI-driven deepfakes, cyber harassment and technology-enabled exploitation, in order to safeguard the dignity, security and rights of women in Assam."

His speech was not concluded.

## B) MOTION

**i) Hon'ble Member Shri Abdul Batin Khandakar moved the following motion –**

"This House urges upon the Government to initiate appropriate and time-bound measures to secure a special financial package from the Central Government to undertake comprehensive and long-term interventions for river management, embankment strengthening, anti-erosion works and modern flood-control infrastructure so as to make Assam a flood-free and erosion-free State."

His speech was not concluded.

**ii) Hon'ble Member Shri Diganta Barman moved the following Motion –**

"Keeping in view that the grant of Scheduled Tribe status to the six communities of Assam namely **Tai Ahom, Moran, Matak, Koch Rajbongshi, Chutia and Tea Tribes** will help to protect the land rights of indigenous groups, ensure the demographic balance and safeguard the broader social, economic and political interests of the State, this House urges upon the Government to initiate at the earliest a structured dialogue with the Central Government so as to address the long-pending demand of inclusion of these six communities in the list of Scheduled Tribes in relation to the State of Assam."

His speech was not concluded.

**2:08 P.M.**

## 4.7 GOVERNMENT BILLS – PASSED

**a) The Assam Fixation of Ceiling of Land Holdings (Amendment) Act, 2025.**

The motion for consideration of the Bill was moved by Hon'ble Minister Shri Keshab Mahanta.

The following Members participated in the discussion –

1) Shri Bhaskar Jyoti Baruah
2) Shri Rupesh Gowala (Minister)
3) Shri Gobinda Chandra Basumatary

4) Dr. Rafiqul Islam
5) Shri Sanjay Kishan
6) Shri Debabrata Saikia
7) Shri Rupjyoti Kurmi
8) Shri Jolen Daimary
9) Shri Krishna Kamal Tanti
10) Shri Ponakon Baruah
11) Shri Terash Gowalla
12) Md. Aminul Islam
13) Shri Diganta Ghatowal
14) Shri Prithiraj Rava
15) Dr. Himanta Biswa Sarma, Chief Minister
16) Shri Manoranjan Talukdar
17) Shri Mazibur Rahman
18) Shri Akhil Gogoi
19) Shri Kaushik Rai (Minister)

Hon'ble Minister Shri Keshab Mahanta replied to the discussion.

The motion for consideration moved by Shri Keshab Mahanta was adopted and clause by clause consideration of the Bill was taken up.

Clause 2 was adopted.
Clauses 3 and 4 were adopted
Clause 5 was adopted.
Clause 6 was adopted.
Clause 7 was adopted.
Clause 1, Enacting Formula and Long Title were adopted.

Hon'ble Minister Shri Keshab Mahanta moved the motion that the Bill be passed.

The motion was adopted and the Bill was passed.

**4:46 P.M.**

**b)** Hon'ble Speaker informed the House that subject matter of all the Bills listed at Serial Number 15 to 21 in the List of Business is similar. Therefore, he requested the Hon'ble Minister concerned to move the motion for consideration of the Bills together.

Accordingly, Hon’ble Minister Dr. Ranoj Pegu moved that **The Mising Autonomous Council (Amendment) Bill, 2025; The Rabha Hasong Autonomous Council (Amendment) Bill, 2025; The Tiwa Autonomous Council (Amendment) Bill, 2025; The Deori Autonomous Council (Amendment) Bill, 2025; The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025; The Thengal Kachari Autonomous Council (Amendment) Bill, 2025; The Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025** be taken into consideration.

The Motion for consideration of the above mentioned Bills moved by Dr. Ranoj Pegu was adopted and clause by clause consideration of each of the Bills were taken up.

Clauses 2 and 3 of each of the Bill were adopted
Clause 1, Enacting Formula, Preamble and Long Title of each of the Bills were adopted.

Hon’ble Minister Dr. Ranoj Pegu moved that **The Mising Autonomous Council (Amendment) Bill, 2025; The Rabha Hasong Autonomous Council (Amendment) Bill, 2025; The Tiwa Autonomous Council (Amendment) Bill, 2025; The Deori Autonomous Council (Amendment) Bill, 2025; The Sonowal Kachari Autonomous Council (Amendment) Bill, 2025; The Thengal Kachari Autonomous Council (Amendment) Bill, 2025; The Bodo Kachari Welfare Autonomous Council (Amendment) Bill, 2025** be passed.

The motion was adopted and the Bills were passed.

**4:49 P.M.**

c) **The Karbi Welfare Autonomous Council Bill, 2025.**

The motion for consideration of the Bill was moved by Hon’ble Minister Dr. Ranoj Pegu.

The motion for consideration moved by Dr. Ranoj Pegu was adopted and clause by clause consideration of the Bill was taken up.

Clause 2 was adopted.
Clauses 3 and 4 were adopted.
Clause 5 was adopted.
Clauses 6 to 29 were adopted.

Clause 30 was adopted.

Clauses 31 to 61 were adopted.

Clause 1, Enacting Formula, Preamble and Long title were adopted.

Hon'ble Minister Dr. Ranoj Pegu moved the motion that the Bill be Passed.

The motion was adopted and the Bill was Passed.

**5:53 P.M**

Hon'ble Speaker informed the House that subject matter of the Bills listed at Serial Number 23 to 24 in the List of Business is similar. Therefore, he requested the Hon'ble Minister concerned to move the motion for consideration of the Bills together.

Accordingly, Hon'ble Minister Shri Pijush Hazarika moved that **Moran Autonomous Council (Amendment) Bill, 2025 and Matak Autonomous Council (Amendment) Bill, 2025** be taken for consideration.

The motion for consideration of the above mentioned Bills moved by Shri Pijush Hazarika was adopted and clause by clause consideration of the Bills were taken up.

All the clauses of both the Bills were adopted.

Hon'ble Minister Shri Pijush Hazarika moved that **Moran Autonomous Council (Amendment) Bill, 2025 and Matak Autonomous Council (Amendment) Bill, 2025** be Passed.

The motion was adopted and the Bills were passed.

**5:55 P.M.**

## 4.8 STATEMENT BY THE SPEAKER

Hon'ble Speaker proposed for the revocation of suspension of Hon'ble Members Shri Sherman Ali Ahmed and Shri Nurul Huda.

The House agreed.

**5:57 P.M.**

The House adjourned to meet again at Assembly Chamber, Dispur at 9:30 A.M. on Saturday, the 29th November, 2025.

**Dispur**
The 28th November, 2025

**Sd/-**
**D.Pegu**
Secretary,
Assam Legislative Assembly

Memo No. LALNG/BL/01/2025/2521 Dated Dispur the, 1st December, 2025.

Copy forwarded to the Hon'ble Members of the Assam Legislative Assembly.

Chief Reporter-Cum- Editor of Debates
& Ex-Officio Joint Secretary
Assam Legislative Assembly

# অসম বিধান সভা
# শীতকালীন অধিবেশন
# সংবাদ বিবৃতি (প্ৰথম খণ্ড)
# সংক্ষিপ্ত কাৰ্যবিৱৰণী
# শুক্ৰবাৰ, ২৮ নৱেম্বৰ, ২০২৫

<u>পুৱা ৯.৩০ বজাত</u>

৪.১ **<u>প্ৰশ্নসমূহ</u>**

ক) **<u>তৰাচিহ্নিত প্ৰশ্ন</u>**

তৰাচিহ্নিত প্ৰশ্ন নং ৬১ ৰ পৰা ৬৮ লৈ মৌখিকভাৱে উত্তৰ প্ৰদান কৰা হয়। প্ৰশ্ন নং ৬৩ ৰ প্ৰশ্নকৰ্তা সদস্যজন নিলম্বিত হৈ থকা বাবে সেই প্ৰশ্নৰ উত্তৰ প্ৰদান কৰা নহ'ল।

প্ৰশ্ন নং ৬৯ ৰ পৰা ৮০ লৈ উত্তৰসমূহ সদনৰ মেজত ৰখা হয়।

খ) **<u>তৰাবিহীন প্ৰশ্ন</u>**

তৰাবিহীন প্ৰশ্ন নং ১৫১ ৰ পৰা ২০০ লৈ উত্তৰসমূহ সদনৰ মেজত ৰখা হয়। প্ৰশ্ন নং ১৭৩ আৰু ১৯১ ৰ প্ৰশ্নকৰ্তা সদস্য কেইজন নিলম্বিত হৈ থকা বাবে সেই প্ৰশ্নৰ উত্তৰ প্ৰদান কৰা নহ'ল।

<u>পুৱা ১০.৩৩ বজাত</u>

৪.২ **<u>সদস্যৰ সময়</u>**

নিম্নোল্লিখিত সদস্যসকলে তেওঁলোকৰ নিজ নিজ সমষ্টিৰ সম্পৰ্কিত বিষয়সমূহ উত্থাপন কৰে -

১) শ্ৰী তৰঙ্গ গগৈ

২) শ্ৰী আব্দুৰ ৰশিদ মণ্ডল

উত্থাপিত বিষয়সমূহৰ লগত সম্পৰ্কিত বিভাগীয় মন্ত্ৰীসকলে উত্তৰ প্ৰদান কৰে।

<u>পুৱা ১১.৪১ বজাত</u>

৪.৩ **<u>উত্থাপন হোৱা বেচৰকাৰী সদস্যৰ বিধেয়ক সমূহ</u>**

বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়াই নিম্নোল্লিখিত বিধেয়কসমূহ উত্থাপন কৰে -

**ক) "দি এছিউৰদ চিকিউৰিটি এণ্ড হিউমেনেটেৰিয়ান এছিউৰেন্স ফ'ৰ গিগ ওৱাৰকাৰ্চ এণ্ড এটিপিকেল ওৱাৰকাৰ্চ (আশা) বিল, ২০২৫"**

**খ) "দি মেইনটেনেন্স অফ ক্লিনলীনেছ ইন আসাম বিল, ২০২৫"**

**<u>পুৱা ১১.৪৫ বজাত</u>**

৪.৪ **প্ৰত্যাহাৰ কৰা বেচৰকাৰী সদস্যৰ বিধেয়ক**

মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইনে **"দি আসাম ইউনিভাৰ্চিটি এণ্ড ব'ৰ্ডছ (ৰেগুলাৰ কনডাক্ট্ অফ্ এক্সামিনেশ্যনছ্ এণ্ড টাইমলি ডিক্লেৰেশ্যন্ অফ্ ৰিজাল্ট্) বিল, ২০২৫"** সদনত উত্থাপন কৰে।

সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰীয়ে উত্তৰ প্ৰদান কৰে।

উত্তৰ প্ৰদানৰ অন্তত মাননীয় সদস্যগৰাকীয়ে বিধেয়কখন প্ৰত্যাহাৰ কৰে।

**<u>পুৱা ১১.৫৪ বজাত</u>**

৪.৫ **সংকল্প প্ৰস্তাৱ**

ক) **প্ৰত্যাহাৰ কৰা বেচৰকাৰী সদস্যৰ সংকল্প প্ৰস্তাৱসমূহ -**

১) **মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থই নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -**

"এই তথ্যসমূহ বিবেচনা কৰি-

(i) কাছাৰ জিলাত অৱস্থিত কাটিগড়া অঞ্চলটো অত্যন্ত দুৰ্গম আৰু ভৌগোলিকভাৱে পিছপৰা অঞ্চলসমূহৰ ভিতৰত অন্যতম, যি অত্যন্ত দুৰ্গম এলেকা আৰু শোচনীয় পৰিৱহণ ব্যৱস্থাৰ বাবে জনাজাত,

(ii) কাটিগড়া আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকলে জিলা সদৰ শিলচৰলৈ যাত্ৰা কৰোতে গুৰুতৰ অসুবিধাৰ সন্মুখীন হয়, কিয়নো অত্যাৱশ্যকীয় প্ৰশাসনিক, চৰকাৰী বা ৰাজহুৱা সেৱা সম্পৰ্কীয় কামৰ বাবে একেদিনাই গৈ ঘূৰি অহা অত্যন্ত কঠিন, আৰু

(iii) যাত্ৰাৰ উচ্চ ব্যয়, লগতে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বৃহৎ সংখ্যক লোকৰ অৰ্থনৈতিক দুৰ্বলতাই এই অঞ্চলৰ লোকসকলৰ ওপৰত এক অসন্তুলিত বোজা জাপি দিছে, যাৰ ফলত চৰকাৰী সেৱা আৰু উন্নয়নমূলক সুযোগ লাভ কৰাত তেওঁলোক অসমৰ্থ হৈছে, সেয়েহে-

ক) অতি শীঘ্ৰে কাটিগড়াক এক সম জিলা হিচাপে ঘোষণা কৰাৰ বাবে বিবেচনা কৰিবলৈ আৰু

খ) বিস্তৃত অঞ্চলটোৰ জনগণৰ বাবে ৰাজহুৱা সেৱাৰ উন্নয়ন, সম্প্ৰসাৰিত যোগাযোগ ব্যৱস্থা আৰু উন্নত ৰাজহুৱা সুবিধা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় প্ৰশাসনিক পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

নিম্নোল্লিখিত সদস্যসকলে আলোচনাত অংশগ্ৰহণ কৰে -

১) ড° ৰফিকুল ইছলাম

২) শ্ৰী জাকিৰ হুছেইন সিকদাৰ

মাননীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাসে আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।
উত্তৰ প্ৰদানৰ অন্তত মাননীয় সদস্যজনে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰে।

**২) বিৰোধী দলৰ মাননীয় দলপতি শ্ৰী দেৱব্ৰত শইকীয়াই নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -**

"এই সদনে-

(i) আনুষংগিক কৃষি খণ্ড সমূহৰ উন্নয়নক অগ্ৰাধিকাৰ দিবলৈ আৰু ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক ভেটি শক্তিশালী কৰাৰ লক্ষ্যৰে অসমৰ চাহ উদ্যোগ সমূহে সন্মুখীন হোৱা দীৰ্ঘদিনীয়া প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিবলৈ,

(ii) কৃষকৰ আয় বৃদ্ধি কৰিবলৈ, কৃষি আৰু বাগিচাৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ আৰু ভূমিহীন চাহ শ্ৰমিকৰ ভূমি পট্টা প্ৰদান কৰাকে ধৰি চাহ বাগিচাৰ শ্ৰমিকসকলৰ নিৰন্তৰ সমস্যা সমূহ সমাধানৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ; আৰু ৰাজ্যখনৰ সকলো চাহ শ্ৰমিকৰ সমগ্ৰিক উন্নয়ন আৰু কল্যাণৰ বাবে এক বিশেষ বিত্তীয় পুঁজি আৰম্ভ কৰাৰ কথা বিবেচনা কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰাই উত্তৰ প্ৰদান কৰে।
উত্তৰ প্ৰদানৰ অন্তত মাননীয় সদস্যজনে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰে।

*

**৩) মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰে নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -**

"এই সদনে-

(i) উত্তৰ-পূব অঞ্চলত বিশেষকৈ অসমত কৰ্কট ৰোগৰ বৰ্দ্ধিত প্ৰাদুৰ্ভাৱৰ লগত মোকাবিলা কৰিবৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ, য'ত কৰ্কট ৰোগীৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে ;

(ii) ৰাজ্যজুৰি কৰ্কট ৰোগৰ উন্নত সেৱা শক্তিশালী আৰু সম্প্ৰসাৰিত কৰাৰ লগতে আগতীয়া চিনাক্তকৰণ, সময়মতে ৰোগ নিৰ্ণয় আৰু ঔষধ যোগানকে ধৰি সুলভ চিকিৎসাৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ আৰু ;

---

* দুপৰীয়া ১.২৮ বজাত সদন ২০ মিনিটৰ বাবে স্থগিত ৰখা হয়।

(iii) কৰ্কট ৰোগীসকলক সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ বাবে উপযুক্ত ব্যৱস্থা কৰিবলৈ, যাতে জীৱনলৈ ভাবুকি কঢ়িয়াই অনা এই মাৰাত্মক ৰোগৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসমূহ গুৰুতৰ বিত্তীয় সংকট আৰু দীৰ্ঘম্যাদী অৰ্থনৈতিক দুৰবস্থাৰ পৰা সুৰক্ষিত হয়, তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।"

নিম্নোল্লিখিত সদস্যসকলে আলোচনাত অংশগ্ৰহণ কৰে -

১) শ্ৰী আব্দুল বাতিন খন্দকাৰ

২) শ্ৰী দেৱব্ৰত শইকীয়া

माननीय মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।

উত্তৰ প্ৰদানৰ অন্তত মাননীয় সদস্যজনে প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰে।

## খ) উত্থাপনৰ পিছত নিষ্পত্তিহীন হৈ থকা বেচৰকাৰী সদস্যৰ সংকল্প প্ৰস্তাৱ সমূহ

১) মাননীয় সদস্য আলহাজ আব্দুৰ ৰশিদ মণ্ডলে নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -

"এই কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি -

(i) ১৯৪৭ চনৰ পৰা অসমে বাৰে বাৰে বিধ্বংসী বানপানী, নদীৰ গৰাখহনীয়া, ভূমিস্খলন, জাতিগত সংঘৰ্ষ আৰু অন্যান্য প্ৰাকৃতিক আৰু সামাজিক বিঘিনিৰ সন্মুখীন হৈছে, যাৰ ফলত ৰাজ্যখনত লাখ লাখ পৰিয়াল গৃহহাৰা হৈছে;

(ii) এই ঘটনাসমূহৰ পুনৰাবৃত্তি হৈ থকা বাবে প্ৰায় ১,০০০ খন গাঁও সম্পূৰ্ণ বা আংশিকভাৱে ক্ষতিগ্ৰস্ত হৈছে, যাৰ ফলত অগণন পৰিয়াল ভূমিহীন আৰু অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰিছে;

(iii) যদিও এই ভূমিহীন পৰিয়ালবোৰৰ কিছুমানক সময়ে সময়ে চৰকাৰে সংস্থাপন দিছে, মাটি আৱণ্টন দিছে বা পুনৰ সংস্থাপন দিছে, তথাপিও বৃহৎ সংখ্যক পৰিয়ালে চৰকাৰী খাচ ভূমি, পথাৰৰ চৰণীয়া সংৰক্ষিত এলেকা (PGR), গাঁৱৰ চৰণীয়া সংৰক্ষিত এলেকা (VGR), চৰ এলেকা আৰু অন্যান্য স্পৰ্শকাতৰ স্থানত নিজেই সংস্থাপন লৈ আছে, যাৰ বহু সংখ্যকে শেহতীয়া বছৰবোৰত উচ্ছেদৰো সন্মুখীন হৈছে; আৰু

(iv) এটা স্থায়ী, সুসংগঠিত আৰু সহানুভূতিসূচক পুনৰ সংস্থাপনৰ কাঠামোৰ অভাৱে খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত আৰু গৃহহাৰা হোৱা অসমত বসবাস কৰা বৈধ নাগৰিকসকলৰ বাবে দুখ-কষ্টৰ সৃষ্টি কৰি আছে; সেয়েহে;

(ক) অসমত বসবাস কৰা ভূমিহীন আৰু খহনীয়াৰ ফলত ক্ষতিগ্ৰস্ত বৈধ ভাৰতীয় নাগৰিকসকলৰ স্থায়ী পুনৰ সংস্থাপনৰ বাবে এখন বিশদ সুনিৰ্দিষ্ট নীতি প্ৰস্তুত আৰু কাৰ্যকৰী কৰিবলৈ;

(খ) চৰকাৰী নিয়ম আৰু নীতি অনুসৰি এনে পৰিয়ালবোৰক সুৰক্ষিত মাটি আৱণ্টন বা সংস্থাপন দিবলৈ; আৰু

(গ) পুনৰ সংস্থাপনৰ ব্যৱস্থাৰ জৰিয়তে ক্ষতিগ্ৰস্ত সকলৰ পৰিয়ালৰ বাবে দীৰ্ঘম্যাদী স্থিৰতা, সামাজিক-অৰ্থনৈতিক উন্নয়ন আৰু মানৱীয় মৰ্যাদা নিশ্চিত কৰিবলৈ এই সদনে চৰকাৰক আহ্বান জনাইছে।”

২) মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰে নিম্নোল্লিখিত সংকল্প প্ৰস্তাৱটো উত্থাপন কৰে -

“এই সদনে চৰকাৰক আহ্বান জনাইছে যে অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ (সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত শ্ৰীজনগ্ৰাম বিধানসভা সমষ্টি হিচাপে নামাকৰণ কৰা হৈছে) অন্তৰ্গত মানস নদী আৰু অন্যান্য নদীসমূহৰ ওপৰত আৰ চি চি দলং নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ, যাতে এই অঞ্চলটোত যোগাযোগ ব্যৱস্থা উন্নত হয়, ৰাজহুৱা নিৰাপত্তা সুনিশ্চিত হয় আৰু সামাজিক অৰ্থনৈতিক উন্নয়নত সহায়ক হয়।”

সংকল্প প্ৰস্তাৱ সম্পৰ্কত মাননীয় সদস্য দুগৰাকীৰ বক্তব্য আধৰুৱা হৈ ৰ'ল।

<u>বিয়লি ২.০৫ বজাত</u>

**৪.৬ <u>উত্থাপন পিছত নিষ্পত্তিহীন হৈ থকা বেচৰকাৰী সদস্যৰ বিশেষ প্ৰস্তাৱ/প্ৰস্তাৱ</u>**

**১) <u>বিশেষ প্ৰস্তাৱ ঃ</u> মাননীয় সদস্য আলহাজ আব্দুৰ ৰশিদ মণ্ডলে নিম্নোল্লিখিত বিশেষ প্ৰস্তাৱটো উত্থাপন কৰে ঃ**

“এই সদনে-

অসমত মহিলাৰ বিৰুদ্ধে যৌন হিংসাৰ বৰ্ধিত ঘটনাবোৰত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে, যাৰ ভিতৰত ২০২৫ চনৰ আৰম্ভণিৰ কেইমাহ মানৰ ভিতৰত সদনক জনোৱা অনুসৰি যথেষ্ট সংখ্যক গোচৰ পোহৰলৈ আহিছে, যিয়ে আৰক্ষী ব্যৱস্থা, তদন্তৰ মানদণ্ড, ভুক্তভোগীক সহায় প্ৰদান ব্যৱস্থা আৰু সামগ্ৰিক নিৰাপত্তা আন্তঃগাঁথনিৰ সৈতে জড়িত গুৰুতৰ প্ৰত্যাহ্বানবোৰ দাঙি ধৰিছে আৰু-

(i) ৰাজ্যখনত পোহৰলৈ অহা শেহতীয়া গুৰুতৰ যৌন হিংসাৰ গোচৰ বোৰৰ তদন্তৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত সদনক অৱগত কৰিবলৈ আৰু আৰক্ষীৰ সঁহাৰি, ফৰেনছিক ক্ষমতা, ভুক্তভোগীৰ সুৰক্ষা ব্যৱস্থা আৰু অন্যান্য আনুষ্ঠানিক সুৰক্ষা ব্যৱস্থাক শক্তিশালী কৰিবলৈ লোৱা ব্যৱস্থা সমূহৰ ৰূপৰেখা দাঙি ধৰিবলৈ;

(ii) অসমত মহিলাৰ মৰ্যাদা, নিৰাপত্তা আৰু অধিকাৰ সুৰক্ষিত কৰাৰ বাবে AI চালিত ডিপফেক, চাইবাৰ হাৰাশাস্তি আৰু প্ৰযুক্তিগত শোষণকে ধৰি মহিলাৰ নিৰাপত্তাৰ প্ৰতি উদ্ভৱ হোৱা ভাবুকিবোৰ মোকাবিলা কৰিবলৈ এটা সুনিৰ্দিষ্ট কৌশলগত পৰিকল্পনা প্ৰস্তুত আৰু কাৰ্যকৰী কৰিবলৈ চৰকাৰক আহ্বান জনাইছে।”

**বিশেষ প্ৰস্তাৱ সম্পৰ্কত মাননীয় সদস্য গৰাকীৰ বক্তব্য আধৰুৱা হৈ ৰ'ল।**

**২) প্ৰস্তাৱ ঃ**

**(ক) মাননীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰে নিম্নোল্লিখিত প্ৰস্তাৱটো উত্থাপন কৰে ঃ**

“এই সদনে অসমক বানপানী আৰু গৰাখহনীয়া মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে নদী নিয়ন্ত্ৰণ, মথাউৰি শক্তিশালীকৰণ, গৰাখহনীয়া বিৰোধী কাম আৰু বান নিয়ন্ত্ৰণৰ আধুনিক আন্তঃগাঁথনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা এক বিশেষ বিত্তীয় পুঁজি আদায় কৰিবলৈ উপযুক্ত আৰু সময়োচিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে চৰকাৰক আহ্বান জনাইছে।”

**(খ) মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মনে নিম্নোল্লিখিত প্ৰস্তাৱটো উত্থাপন কৰে ঃ**

“অসমৰ ছয়টা জনগোষ্ঠী, ক্ৰমে টাই আহোম, মৰাণ, মটক, কোচ ৰাজবংশী, চুতীয়া আৰু চাহ জনগোষ্ঠীক অনুসূচীত জাতিৰ মৰ্যাদা প্ৰদানে খিলঞ্জীয়া গোটসমূহৰ ভূমি অধিকাৰ সুৰক্ষিতকৰণ, জনগাঁথনিৰ ভাৰসাম্য নিশ্চিতকৰণ আৰু ৰাজ্যখনৰ ব্যাপক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাৰ্থ সুৰক্ষিত কৰণত সহায়ক হ'ব বুলি লক্ষ্য ৰাখি এই সদনে চৰকাৰক এই ছয়টা জনগোষ্ঠীক অসম ৰাজ্যৰ সন্দৰ্ভত অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভূক্ত কৰাৰ দীৰ্ঘদিনীয়া দাবীটো সমাধান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে অতি সোনকালে এক সু সংগঠিত আলোচনাৰ আৰম্ভণি কৰিবলৈ আহ্বান জনাইছে।”

**মাননীয় সদস্য দুগৰাকীৰ প্ৰস্তাৱ সম্পৰ্কীয় বক্তব্য আধৰুৱা হৈ ৰ'ল।**

বিয়লি ২.০৮ বজাত

৪.৭ **চৰকাৰী বিধেয়কসমূহ - (পাৰিত)**

**ক)** মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্তই **“দি আসাম ফিক্সেছন অৱ চিলিং অৱ লেণ্ড হ'ল্ডিংছ (এমেণ্ডমেণ্ট) আইন, ২০২৫”** সদনত বিবেচনাৰ্থে উত্থাপন কৰে।

নিম্নোল্লিখিত সদস্যসকলে উক্ত বিধেয়কখনৰ আলোচনাত অংশগ্ৰহণ কৰে -

১) শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা

২) শ্ৰী ৰূপেশ গোৱালা (মন্ত্ৰী)

৩) শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী

৪) ড০ ৰফিকুল ইছলাম
৫) শ্ৰী সঞ্জয় কিষাণ
৬) শ্ৰী দেৱব্ৰত শইকীয়া
৭) শ্ৰী ৰূপজ্যোতি কুৰ্মী
৮) শ্ৰী জলেন দৈমাৰী
৯) শ্ৰী কৃষ্ণকমল তাঁতী
১০) শ্ৰী পোনাকন বৰুৱা
১১) শ্ৰী তেৰছ গোৱালা
১২) মোঃ আমিনুল ইছলাম
১৩) শ্ৰী দিগন্ত ঘাটোৱাল
১৪) শ্ৰী পৃথ্বিৰাজ ৰাভা
১৫) ড০ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)
১৬) শ্ৰী মনোৰঞ্জন তালুকদাৰ
১৭) শ্ৰী মজিবুৰ ৰহমান
১৮) শ্ৰী অখিল গগৈ
১৯) শ্ৰী কৌশিক ৰায় (মন্ত্ৰী)

মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্তই আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰে।

মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্তই বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

দফা নং ২ গৃহীত হয়।

দফা নং ৩ আৰু ৪ গৃহীত হয়।

দফা নং ৫ গৃহীত হয়।

দফা নং ৬ গৃহীত হয়।

দফা নং ৭ গৃহীত হয়।

দফা নং ১ , অধিনিয়ম সূত্ৰ আৰু দীৰ্ঘ শিৰোনাম গৃহীত হয়।

মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্তই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেকখন পাৰিত হয়।

<u>বিয়লি ৪.৪৬ বজাত</u>

**খ)** মাননীয় অধ্যক্ষ মহোদয়ে সদনক অৱগত কৰে যে আজিৰ কাৰ্য্যসূচীৰ তালিকাত ১৫ পৰা ২১ নং ক্ৰমিক নম্বৰত তালিকাভুক্ত সকলো বিধেয়কৰ বিষয়বস্তু একেধৰণৰ। সেয়েহে তেওঁ সংশ্লিষ্ট মাননীয় মন্ত্ৰী মহোদয়ক একেলগে বিধেয়কখিনি বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনায়।

সেই অনুসৰি মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে **"দি মিছিং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি ৰাভা হাছং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি তিৱা অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি দেউৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি সোনোৱাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি ঠেঙাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি বড়ো কছাৰী ৱেলফেয়াৰ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** সদনৰ বিবেচনাৰ্থে উত্থাপন কৰে।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়ক কেইখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

প্ৰতিখন বিধেয়কৰে দফা নং ২ আৰু ৩ গৃহীত হয়।

প্ৰতিখন বিধেয়কৰে দফা নং ১ , অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম গৃহীত হয়।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়কসমূহ ক্ৰমে **"দি মিছিং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি ৰাভা হাছং অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি তিৱা অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি দেউৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি সোনোৱাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি ঠেঙাল কছাৰী অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"; "দি বড়ো কছাৰী ৱেলফেয়াৰ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** পাৰিতকৰণৰ প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেয়ক কেইখন পাৰিত হয়।

<u>বিয়লি ৪.৪৯ বজাত</u>

**গ)** মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে **"দি কাৰ্বি ৱেলফেয়াৰ অট'নমাছ কাউন্সিল বিল, ২০২৫"** সদনত বিবেচনাৰ্থে উত্থাপন কৰে।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

দফা নং ২ গৃহীত হয়।

দফা নং ৩ আৰু ৪ গৃহীত হয়।

দফা নং ৫ গৃহীত হয়।

দফা নং ৬ পৰা ২৯ লৈকে গৃহীত হয়।

দফা নং ৩০ গৃহীত হয়।

দফা নং ৩১ পৰা ৬১ লৈকে গৃহীত হয়।

দফা নং ১ , অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম গৃহীত হয়।

মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেয়কখন পাৰিত হয়।

## বিয়লি ৫.৫৩ বজাত

মাননীয় অধ্যক্ষ মহোদয়ে সদনক অৱগত কৰে যে আজিৰ কাৰ্য্যসূচীৰ তালিকাত ২৩ আৰু ২৪ নং ক্ৰমিক নম্বৰত তালিকাভুক্ত বিধেয়ক কেইখনৰ বিষয়বস্তু একেধৰণৰ। সেয়েহে তেওঁ সংশ্লিষ্ট মাননীয় মন্ত্ৰী মহোদয়ক বিধেয়ক দুখন বিবেচনাৰ বাবে একেলগে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনায়।

সেই অনুসৰি মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাই বিধেয়ক দুখন ক্ৰমে **"দি মৰাণ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" আৰু "দি মটক অট'নমাছ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** ৰ বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাই বিধেয়ক দুখন বিবেচনাৰ বাবে উত্থাপন কৰা প্ৰস্তাৱটো গৃহীত হয় আৰু দফাই দফাই বিবেচনা কৰা হয়।

বিধেয়ক দুখনৰ সকলো দফা গৃহীত হয়।

মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাই বিধেয়ক দুখন ক্ৰমে **"দি মৰাণ অট'নমাছ কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০২৫" আৰু "দি মটক অট'নমাছ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২৫"** ৰ পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে।

প্ৰস্তাৱটো গৃহীত হয় আৰু বিধেয়ক কেইখন পাৰিত হয়।

**<u>বিয়লি ৫.৫৫ বজাত</u>**

**৪.৮ <u>অধ্যক্ষৰ ঘোষণা</u>**

মাননীয় অধ্যক্ষই মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ আৰু শ্ৰী নুৰুল হুদাক সদনৰ পৰা নিলম্বন বাতিল কৰাৰ সন্দৰ্ভত এক বিবৃতি প্ৰদান কৰে।

সদনে অধ্যক্ষৰ সিদ্ধান্তত সন্মতি প্ৰদান কৰে।

**<u>বিয়লি ৫.৫৭ বজাত</u>**

সদন শনিবাৰ ২৯ নৱেম্বৰ ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হয়।

দিশপুৰ

২৮ নৱেম্বৰ, ২০২৫

স্বাঃ /দি. পেগু
সচিব
অসম বিধান সভা

মেমো নং এল,এ,এল,এন,জি/বি,এল/০১/২০২৫/২৫২১ দিনাংক দিশপুৰ ১০ ডিচেম্বৰ, ২০২৫

অসম বিধান সভাৰ সমূহ মাননীয় সদস্য/সদস্যাৰ জ্ঞাতাৰ্থে প্ৰতিলিপি প্ৰেৰণ কৰা হ'ল।

বিতৰ্কসমূহৰ মুখ্য প্ৰতিবেদক
তথা পদেন যুটীয়া সচিব
অসম বিধান সভা

---

* মাননীয় অধ্যক্ষই সদনত অৱগত কৰে যে উত্থাপন হোৱা উপৰোক্ত সংকল্প প্ৰস্তাৱসমূহৰ ওপৰত পৰবৰ্ত্তী অধিবেশনত আলোচনা কৰা হ'ব।